জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৫২/২০২০**

**কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনাৰ বাবে পাঁচখন জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু বন বিভাগৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক**

## কিছুদিন পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনত এটা গঁড় নিধনত জড়িত থকা চোৰাং চিকাৰীক কাৰয়ত্ত্ব কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণী সমূহৰ সুৰক্ষা নিশ্চিতকৰণৰ বাবে দাঁতিকাষৰীয়া জিলা কেইখনৰ প্ৰশাসন তথা বন বিভাগে যৌথ সহযোগিতাৰে কাম কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ১২ মে'ঃ** 'কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান হৈছে ৰাজ্যখনৰ গৌৰৱ। ৰাষ্ট্ৰীয় উদ্যানখনত সংঘটিত যিকোনো ঘটনাই সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰে। সেয়েহে ৰাষ্ট্ৰীয় উদ্যানখনৰ বন্যপ্ৰাণী সমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ দাঁতিকাষৰীয়া জিলা কেইখনৰ প্ৰশাসনৰ লগতে বন বিভাগে এক হৈ যৌথ সহযোগিতাৰে কাম  কৰিব লাগিব।' আগন্তুক বাৰিষাৰ সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰা আৰু চোৰাং চিকাৰ ৰোধ কৰাৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ সীমান্তৱৰ্তী গোলাঘাট, নগাঁও, শোণিতপুৰ, বিশ্বনাথ আৰু কাৰ্বি আলং জিলা প্ৰশাসন আৰু বন বিভাগৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ বাবে আজি কাজিৰঙাস্থিত আয়োৰা ৰিজৰ্টৰ সভাগৃহত অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী  সৰ্বানন্দ সোণোৱালে এইদৰে কয়। আনহাতে কিছুদিন পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনত এটা গঁড় চোৰাং চিকাৰীৰ হাতত নিহত হোৱা বিষয়টো উত্থাপন কৰি শীঘ্ৰে চোৰাং চিকাৰীক কৰায়ত্ত্ব কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰী সোণোৱালে আৰক্ষী আৰু বন বিভাগক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ বাবে ৰাজ্যত গঁড় হত্যা উল্লেখনীয়ভাৱে হ্ৰাস পাইছে। অসম চৰকাৰৰ অনুৰোধ মৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে গঠন কৰা ফাষ্ট ট্ৰেক কোৰ্টে ইতিমধ্যে কেইবাগৰাকীও চোৰাং চিকাৰীক দোষী সাব্যস্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰিছে। ইয়াৰ ফলত চোৰাং চিকাৰীসকলৰ মনতো সংশয়ৰ ভাৱ সৃষ্টি হৈছে। আগন্তুক সময়ছোৱাতো এই পদক্ষেপ সমূহ অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া অঞ্চলৰ গাঁওবুঢ়া, চাহ বাগিচাৰ চৰ্দাৰ আৰু সামাজিকভাৱে সক্ৰিয় ব্যক্তিসকলক বন্যপ্ৰাণী সুৰক্ষাৰ প্ৰচেষ্টাত জড়িত কৰি আগবাঢ়িবলৈ মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্দেশ দিয়ে।

বন্যপ্ৰাণী সমূহৰ স্বাস্থ্য যতনৰ প্ৰতি লক্ষ্য ৰাখি আৰু এই দিশত অধিক সুবিধা হোৱাকৈ পশু পালন বিভাগৰ চিকিৎসক আৰু কৰ্মচাৰীৰ লগতে বন বিভাগৰ কৰ্মচাৰীক উপযুক্ত প্ৰশিক্ষণেৰে কৌশলী কৰি তুলিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বন বিভাগৰ অন্তৰ্গত খালী হৈ থকা সকলোবোৰ পদ শীঘ্ৰে পূৰণৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বন বিভাগে বন্যপ্ৰাণী

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

সুৰক্ষাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ সম্পৰ্কে জনসাধাৰণ যাতে অৱগত হয় তাৰ বাবে বিভাগটোৱে কাৰ্যব্যৱস্থা হাতত ল'ব লাগিব। বিগত সময়ছোৱাত ৰাষ্ট্ৰীয় উদ্যানখনত গঢ়ি তোলা ৩৩ টা হাইলেণ্ডে জীৱ-জন্তু সমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত কেনে ভূমিকা গ্ৰহণ কৰিছে তথা বানপানীৰ সময়ছোৱাত এই হাইলেণ্ড সমূহত কিমান সংখ্যক জীৱ-জন্তুৱে আশ্ৰয় লৈছে সেই দিশত জৰীপ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে পদক্ষেপ ল'বলৈ কয়। তদুপৰি বানপানীৰ সময়ত ৰাষ্ট্ৰীয় উদ্যানখনৰ হাইলেণ্ডত আৱদ্ধ হৈ থকা বন্যপ্ৰাণী সমূহক প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগানৰ নিশ্চিত পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

সম্প্ৰতি ৰাজ্যখনত দেখা দিয়া আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া অঞ্চলৰ পোহনীয়া গাহৰি যাতে বনৰীয়া গাহৰিৰ সংমিশ্ৰণলৈ আহিব নোৱাৰে তথা পোহনীয়া গাহৰি সমূহৰ চলাচল যাতে নিয়ন্ত্ৰিত হয় তাৰ বাবে পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰী সোণোৱালে আটাইকেইখন জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। এই দিশত ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া গাওঁ সমূহত সজাগতা সভা অনুষ্ঠিত কৰি ৰাইজক সচেতন কৰাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে জোৰ দিয়ে।

ক'ৰণা ভাইৰাছ সংক্ৰমণৰ ফলস্বৰূপে পৰ্যটন খণ্ডটো ব্যাপক লোকচানৰ সন্মুখীন হোৱা প্ৰসংগ উত্থাপন কৰি এই খণ্ডৰ সৈতে জড়িত ব্যক্তিসকলক সকাহ দিয়াৰ বাবে সুপৰিকল্পিত প্ৰচেষ্টাৰে আগবাঢ়িবলৈও মুখ্যমন্ত্ৰী সোণোৱালে কয়। তদুপৰি লক ডাউনৰ ফলস্বৰূপে অভয়াৰণ্যখনৰ সৈতে জড়িত জীপ আৰু হাতী চাফাৰীৰ অপাৰেটৰ সকলে সন্মুখীন হোৱা লোকচানৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে কাজিৰঙা ফাউণ্ডেশ্যনে প্ৰদান কৰা আৰ্থিক সাহায্য তেওঁলোকৰ মাজত বিতৰণ কৰে। তদুপৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰতিটো ৰেঞ্জলৈ যোগান ধৰা থাৰ্মেল স্কেনাৰ আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালকৰ হাতত প্ৰদান কৰে।

এই বৈঠকত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক পি শিৱ কুমাৰে মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে যে বিগত বৰ্ষত ৰাষ্ট্ৰীয় উদ্যানখনত তিনিটা গঁড় নিধন হোৱাৰ বিপৰীতে চলিত বৰ্ষত এটা গঁড় চোৰাং চিকাৰীৰ হাতত নিধন হৈছে। আগন্তুক বানপানীৰ সময়ছোৱাত বন্যপ্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৩০০ খন নাও, ১৮ খন স্পীড বোট আৰু ভাসমান কেম্প সাজু কৰি তোলা হৈছে। তদুপৰি ৰাষ্ট্ৰীয় উদ্যানখনত অতিৰিক্ত হাইলেণ্ড নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ইতিমধ্যে প্ৰস্তাৱ দাখিল কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰেও বিষয়টো ইতিবাচক দৃষ্টি ভংগীৰে বিবেচনা কৰিছে।

এই বৈঠকত বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, কৃষি মন্ত্ৰী অতুল বৰা, জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক বিমল বৰা আৰু অশোক শৰ্মা, গোলাঘাট, নগাঁও, শোণিতপুৰ, বিশ্বনাথ আৰু কাৰ্বিং আলং জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু বন সংমণ্ডল বিষয়াসকলৰ লগতে বন বিভাগৰ মুখ্য বন সংৰক্ষককে ধৰি আৰক্ষী আৰু অসামৰিক প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ**
**১২/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in